## ৪.০ উদ্দেশ্য ঃ

- এই গোটটো অধ্যয়ন কৰিলে তুমি সংবিধানৰ প্ৰস্তুতি সম্পৰ্কে বিতংকৈ জানিব পাৰিবা।
- সংবিধান সভাৰ গঠন আৰু ইয়াৰ দোষ-ত্ৰুটিসমূহ বিশ্লেষণ কৰিব পাৰিবা।
- সংবিধান প্ৰণয়নৰ সময়ত সংবিধান সভাই সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ চিনাক্ত কৰিব পাৰিবা।
- উদ্দেশ্যধৰ্মী প্ৰস্তাৱসমূহৰ বিষয়ে জানিব পাৰিবা।

## ৪.১ প্ৰস্তাৱনা ঃ

ভাৰতবৰ্ষৰ সংবিধানৰ প্ৰস্তুতি (Framing) পৰ্ব বুলি ক'লে সংবিধান ৰচনাৰ প্ৰাৰম্ভিক সময়ছোৱাৰ পৰা আৰম্ভ কৰি সংবিধানৰ ৰচনা সম্পূৰ্ণ হোৱা পৰ্য্যন্ত সংঘটিত সাংবিধানিক বিকাশৰ প্ৰৱাহক বুজা যায়। তোমালোকে ইতিমধ্যে জানি আহিছা যে দ্বিতীয় বিশ্বযুদ্ধৰ পিছতেই বৃটিছ প্ৰধানমন্ত্ৰী লৰ্ড এটলিয়ে ঘোষণা কৰিছিল যে ভাৰতবৰ্ষৰ সাংবিধানিক সমস্যাসমূহৰ সমাধান কৰাৰ বাবে কেবিনেট মন্ত্ৰীসকলৰ দ্বাৰা গঠিত এক 'কমিছন' (Commission) ভাৰতবৰ্ষলৈ প্ৰেৰণ কৰা হ'ব। সেই অনুসৰি, ১৯৪৬ চনৰ ২৩ মাৰ্চ তাৰিখে লৰ্ড পেট্ৰিক লৰেন্স, চাৰ ষ্টাফ'ৰ্ড ক্ৰীপছ আৰু এ. ভি আলেকজেণ্ডাৰৰ দ্বাৰা গঠিত এক কমিছন ভাৰতবৰ্ষলৈ আহে। কেবিনেট মিছন নামেৰে প্ৰখ্যাত এই কমিছনে ভাৰতবৰ্ষৰ ৰাজনৈতিক সমস্যাসমূহৰ সমাধানৰ বাবে বিভিন্ন প্ৰকাৰৰ আলোচনাত মিলিত হয় আৰু স্বাধীন ভাৰতবৰ্ষৰ সংবিধান ৰচনাৰ বাবে এক সংবিধান সমিতি (Constituent Assembly) গঠনৰ প্ৰস্তাৱ আগবঢ়ায়।

উল্লেখযোগ্য যে, কেবিনেট মিছনৰ আগতেও ভাৰতবৰ্ষৰ সংবিধান ৰচনাৰ বাবে এখন সংবিধান সভা গঠনৰ দাবী উত্থাপিত হৈছিল। মানবেন্দ্ৰ নাথ ৰয় (M.N.Roy) য়ে সৰ্বপ্ৰথমে এই দাবী উত্থাপন কৰিছিল। ১৯৩৪ চনৰ জাতীয় কংগ্ৰেছৰ অধিবেশনত সংবিধান সভা গঠনৰ দাবী শক্তিশালীভাৱে উত্থাপিত হৈছিল আৰু তাৰ পিছৰে পৰা ভাৰতবৰ্ষৰ বুদ্ধিজীৱী আৰু জনসাধাৰণে সংবিধান সভা গঠনৰ দাবী কৰি আহিছিল।

## ৪.২ কেবিনেট মিছন আৰু সংবিধান সভা গঠনঃ

কেবিনেট মিছনৰ প্ৰস্তাৱ অনুসৰি ১৯৪৬ চনৰ নৱেম্বৰ মাহত সংবিধান সভা গঠন কৰা হয়। এই মিছনে সংবিধান সভা গঠনৰ বিস্তৃত ৰূপৰেখা তৈয়াৰ কৰিছিল। সংবিধান সভাত ভাৰতৰ ৰাজ্যসমূহৰ পৰা ২৯২ জন, চীফ কমিছনাৰৰ ৰাজ্যৰ পৰা ৪জন আৰু দেশীয় ৰাজ্যসমূহৰ পৰা ৯৩ জন সদস্যই অংশগ্ৰহণ কৰিব বুলি কেবিনেট মিছনে নিৰ্ধাৰণ কৰিছিল। ৰাজ্যসমূহৰ মাজত আসন বিতৰণৰ বাবে নিম্নোক্ত ব্যৱস্থা গ্ৰহণ কৰা হৈছিল

**‘ক শাখা’**

| ৰাজ্যসমূহৰ নাম | সাধাৰণ আসনৰ সংখ্যা | মুছলমানৰ বাবে আসনৰ সংখ্যা | শিখসকলৰ বাবে আসনৰ সংখ্যা | মুঠ |
|---|---|---|---|---|
| উত্তৰ প্ৰদেশ | ৪৭ | ৮ | – | ৫৫ |
| মাদ্ৰাছ | ৪৫ | ৪ | – | ৪৯ |
| বিহাৰ | ৩১ | ৫ | – | ৩৬ |
| বোম্বে | ১৯ | ২ | – | ২১ |
| চেণ্ট্ৰেল প্ৰভিঞ্চ | ১৫ | ১ | – | ১৭ |
| উৰিষ্যা | ৯ | – | – | ০৯ |
| মুঠ | ১৬৭ | ২০ | – | ১৮৭ |

**‘খ শাখা’**

| ৰাজ্যসমূহৰ নাম | সাধাৰণ আসনৰ সংখ্যা | মুছলমানৰ বাবে আসনৰ সংখ্যা | শিখসকলৰ বাবে আসনৰ সংখ্যা | মুঠ |
|---|---|---|---|---|
| পাঞ্জাৱ | ৮ | ১৬ | ৪ | ২৮ |
| সিন্ধ | ১ | ৩ | – | ৪ |
| দক্ষিণ পশ্চিম | – | — | – | — |
| সীমান্ত ৰাজ্য | ০ | ৩ | ৪ | ৩৬ |
| মুঠ | ৯ | ২২ | ৪ | ৩৫ |

**‘গ শাখা’**

| ৰাজ্যসমূহৰ নাম | সাধাৰণ আসনৰ সংখ্যা | মুছলমানৰ বাবে আসনৰ সংখ্যা | শিখসকলৰ বাবে আসনৰ সংখ্যা | মুঠ |
|---|---|---|---|---|
| বেংগল | ২৭ | ৩৩ | — | ৬০ |
| অসম | ৭ | ৩ | — | ১০ |
| মুঠ | ৩৪ | ৩৬ | — | ৭০ |

উল্লেখযোগ্য যে সংবিধান সভাখনত ভাৰতবৰ্ষৰ গুৰুত্বপূৰ্ণ সম্প্ৰদায়সমূহৰ প্ৰতিনিধিত্ব নিশ্চিত কৰা হৈছিল। সংবিধান সভাৰ আসনসমূহ বিভিন্ন প্ৰদেশৰ জনসংখ্যাৰ ভিত্তিত বিতৰণ কৰা হৈছিল।

সংবিধান সভাৰ বাবে ১৯৪৬ চনৰ জুলাই মাহত নিৰ্বাচন অনুষ্ঠিত হয়। ২১০ খন সাধাৰণ শ্ৰেণীৰ আসনৰ ভিত্তিতত ১৯৯ খন আসনত কংগ্ৰেছ দলে জয়লাভ কৰে। মুছলমানসকলৰ বাবে সংৰক্ষিত ৭৮ খন আসনৰ ভিতৰত ৭৩ খনত মুছলীম লীগে জয়লাভ কৰে। এই অনুসূচীত জাতি ফেডাৰেচন, কমিওনিষ্ট দল আৰু ইউনিয়নিষ্ট দলেও (Unionist Party) যে প্ৰতিদ্বন্দিতা কৰিছিল।

কেবিনেট মিছনৰ তত্বাৱধানত গঠিত হোৱা সংবিধান সভাখন অৱশ্যে সাৰ্বভৌম ক্ষমতাৰ অধিকাৰী নাছিল। এই সংবিধান সভাখন ইংৰাজসকলে গঠন কৰি দিছিল আৰু ইয়াক ভংগ কৰাৰ অধিকাৰো আছিল তেওঁলোকৰ। এই সংবিধান সভাই সীমিত ক্ষমতা উপভোগ কৰিছিল আৰু কেবিনেট মিছনে বান্ধি দিয়া নীতি-নিয়ম আৰু গণ্ডীৰ ভিতৰত থাকি কাৰ্য্য সম্পাদন কৰিব লাগিছিল। অৱশ্যে ১৯৫৭ চনত ভাৰতীয় স্বাধীনতা অধিনিয়ম (Indian Independence Act) খন কাৰ্য্যকৰী হোৱাৰ লগে লগে সংবিধান সভাখনৰ উল্লেখনীয় পৰিৱৰ্তন সাধন হয়। তোমালোকে ইতিমধ্যে ভাৰতবৰ্ষৰ স্বাধীনতা অধিনিয়ম (Indian Independence Act) ৰ বিষয়ে পঢ়ি আহিছা। এই অধিনিয়মে ভাৰত বিভাজনৰ প্ৰস্তাৱ মানি লৈছিল। ফলস্বৰূপে মুছলীম লীগে সংবিধানসভাৰ পৰা নিজৰ প্ৰতিনিধি উঠাই লয়। তদুপৰি এই অধিনিয়মখন কাৰ্য্যকৰী হোৱাৰ লগে লগে সংবিধান সভাৰ ওপৰত কেবিনেট মিছনে আৰোপ কৰা বাধ্য-বাধকতা নাইকিয়া হৈ পৰে। ইয়াৰ পিছত সংবিধান সভাই নিজ ইচ্ছানুযায় সংবিধান প্ৰণয়নৰ ক্ষমতা লাভ কৰে।

চুড়ান্তভাৱে ২৯৬ জন সদস্যৰে গঠিত সংবিধান সভাৰ প্ৰথমখন ঐতিহাসিক বৈঠক ৯ ডিচেম্বৰ, ১৯৪৬ চনত ডং সচ্ছিদানন্দ সিনহাৰ সভাপতিত্বত (অস্থায়ী) অনুষ্ঠিত হয়। অৱশ্যে, এই সভাত কেৱল ২১০ জন সদস্যয়েহে অংশগ্ৰহণ কৰিছিল। তেওঁলোকৰ ভিতৰত ১৫৫ জন উচ্চ বৰ্ণ বিন্দু, ৩০ জন অনুসূচীত জাতি। ৫ জন জনজাতি (Tribal), ৫ জন শিখ, ৫ জন ভাৰতীয় খ্ৰীষ্টীয়ান, ৩ জন এংলো ইণ্ডিয়ান, ৩ জন পাৰ্চি আৰু ৪ জন মুছলিম সদস্যয়ে অংশগ্ৰহণ কৰিছিল। ইয়াৰ পিছতেই ১১ ডিচেম্বৰ, ১৯৪৬ চনত ড০ ৰাজেন্দ্ৰ প্ৰসাদক সংবিধান সভাৰ স্থায়ী সভাপতি হিচাপে নিৰ্বাচিত কৰা হয়। উল্লেখযোগ্য যে, মৌলিক সংবিধানখন গ্ৰহণ কৰাৰ আগেয়ে ডং বি আৰ আম্বেদকাৰৰ সভাপতিত্বত খচৰা সংবিধান (Draft Constitution) ৰচনা কৰা হৈছিল।

## ৪.৩ ভাৰতীয় সংবিধান সভাৰ দোষ - ত্ৰুটিসমূহ (Drawbacks by the Constituent Assembly of India) ঃ

বহুকেইজন সমালোচকে ভাৰতীয় সংবিধান সভাক এক প্ৰকৃত প্ৰতিনিধিত্বমূলক অনুষ্ঠান নাছিল বুলি সমালোচনা কৰিছে। সংবিধান সভাখনৰ সদস্যসকল জনসাধাৰণৰ প্ৰত্যক্ষ ভোটৰ দ্বাৰা নিৰ্বাচিত হোৱা নাছিল। ৰাজ্যসমূহৰ তদৰ্থ বিধান মণ্ডল (Prouisional Legislalive Assembly) ৰ সদস্যসকলেহে এই নিৰ্বাচনত অংশগ্ৰহণ কৰিছিল।

দ্বিতীয়তে, প্ৰাৰম্ভিক কালছোৱাত সংবিধান সভাখন কেবিনেট মিছনে আৰোপ কৰা বাধ্যবাধকতাৰ মাজেৰে পৰিচালিত হ'ব লগা হৈছিল। ১৯৪৭ চনৰ স্বাধীনতা অধিনিয়মে এনে বাধ্য বাধকতা দূৰ কৰে যদিও প্ৰায় ৮০% সদস্যয়ে কংগ্ৰেছৰ হোৱাৰ বাবে সভাখনত 'কংগ্ৰেছ আভিজাত্যৰ' প্ৰভাৱ পৰিছিল বুলি বিশেষজ্ঞসকলে মত পোষণ কৰে।

তৃতীয়তে, সংবিধান সভাখনত শক্তিশালী বিৰোধী অৰ্থাৎ অ-কংগ্ৰেছী নেতৃবৃন্দৰ অনুপস্থিতিত আলোচিত বিষয়সমূহত সমালোচনাত্মক দৃষ্টিভংগী সঠিক ভাৱে প্ৰতিফলিত হোৱা নাছিল।

চতুৰ্থতে, সংবিধান সভাখনত আইনজীৱী আৰু ৰাজনীতিবিদসকলে অধিক প্ৰভাৱ বিস্তাৰ কৰাত সমাজৰ অন্য শ্ৰেণীৰ প্ৰতিনিধি গুৰুত্ব হ্ৰাস পাইছিল।

পঞ্চমতে, সংবিধান সভাই সংবিধান প্ৰণয়ন কামত দীৰ্ঘ সময় (প্ৰায় ৩ বছৰ কাল) অপ্ৰয়োজনীয় ভাৱে গ্ৰহণ কৰিছিল। উল্লেখযোগ্য যে আমেৰিকা যুক্তৰাষ্ট্ৰই মাত্ৰ ৪ মাহৰ ভিতৰত নিজ সংবিধান প্ৰস্তুত কৰিছিল।

ষষ্ঠতে, সংবিধান সভাই প্ৰস্তত কৰি উলিওৱা ভাৰতীয় সংবিধানখন গণভোটৰ বা আগবঢ়োৱা হোৱা নাছিল। বিশেযজ্ঞসকলে মত পোষণ কৰে যে, সংবিধানখনৰ ক্ষেত্ৰত গণভোটৰ ব্যৱস্থা কৰা হ'লে সংবিধানখন অধিক দোষমুক্ত হ'লহেতেন।

অৱশ্যে, কিছুমান বিশেষ কাৰণৰ বাবে সংবিধান সভাখনক সমালোচনা কৰা হয় যদিও, ৩ বছৰৰ অশেষ কষ্টৰ বিনিময়ত এই সভাই এক পূৰ্ণাংগ আৰু গ্ৰহণযোগ্য সংবিধান ভাৰতবৰ্ষৰ জনসাধাৰণক প্ৰদান কৰে। এই সংবিধান বলবৎ হোৱাৰ ৬ দশকৰ পিছতো সক্ৰিয় ভাৱে কাৰ্য্যকৰী হৈ আছে।

## ৪.৪ সংবিধান প্ৰস্তুতিৰ সময়ত সংবিধান সভাই সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ (Challenges faced by the Constituent Assembly in the process of Framing the Constitution)ঃ

সংবিধান প্ৰস্তুতিৰ যি প্ৰক্ৰিয়া তাক এক 'Herculean task' অৰ্থাৎ অতি কঠিন কাৰ্য্য হিচাপে অভিহিত কৰা হয়। সংবিধান প্ৰণেতাসকলে এখন সৰ্বসন্মত সংবিধান ৰচনা কৰি ভাৰতবৰ্ষৰ জনসাধাৰণক উৎসৰ্গা কৰি এক প্ৰশংসনীয় তথা কৃতিত্বৰ কাৰ্য্য সম্পাদন কৰিছিল। সংবিধান প্ৰস্তুতিৰ এই প্ৰক্ৰিয়াত অৱশ্যে সংবিধান সভাখনে বহুতো সমস্যাৰ সন্মুখীন হৈছিল। আমি পাই আহিছো যে প্ৰাৰম্ভিক অৱস্থাত সংবিধান সভাখনে কেবিনেট মিছনৰ নীতি-নিয়মৰ মাজেৰে কাৰ্য্য সম্পাদন কৰিব লাগিছিল। তদুপৰি মুছলীম লীগৰ সদস্যসকলে সংবিধান সভা ত্যাগ কৰাৰ ফলতো অচলাৱস্থাই দেখা দিছিল। সংবিধান সভাই সন্মুখীন হোৱা মুখ্য প্ৰত্যাহ্বান আছিল দেশীয় ৰাজ্য (Princely State) সমূহক লৈ সৃষ্টি হোৱা সমস্যা।

মাউণ্টবেটেন পৰিকল্পনা (Mountbatten Plan) য়ে ভাৰতবৰ্ষৰ দ্বিখণ্ডিতকৰণ ঘোষণা কৰাৰ পিছত আৰু ১৯৪৭ চনৰ স্বাধীনতা অধিনিয়মে এই ঘোষণাক চূড়ান্ত কৰাৰ লগে লগে ভাৰতবৰ্ষৰ অন্তৰ্ৱতীকালীন চৰকাৰে (Interim Government) য়ে দেশীয় ৰাজ্যৰ সমস্যাটো সমাধান কৰাৰ বাবে এক ৰাজ্যিক দপ্তৰ (State Ministry) ৰ নিযুক্তি দিয়ে। সেই সময়ৰ ভাৰতবৰ্ষৰ উপ-প্ৰধানমন্ত্ৰী চৰ্দাৰ বল্লভ ভাই পেটেলক এই দপ্তৰৰ দায়িত্ব দিয়া হয়। তেওঁ নিজ বুদ্ধিদীপ্ততা আৰু বাকপটুতাৰ বলেৰে মুঠ ৫৬২ খন দেশীয় ৰাজ্যক ভাৰতবৰ্ষত চামিল কৰাবলৈ সক্ষম হয়। কিন্তু হায়দৰাবাদ, জুনাগড়, আৰু জম্মু আৰু কাশ্মীৰক ‘চামিলকৰণৰ দলিল’ (Instrument of Accession) স্বাক্ষৰ কৰাবলৈ চৰ্দাৰ পেটেল প্ৰাৰম্ভিক অৱস্থাত বিফল হয়।

অৱশ্যে ১৯৪৮ চনৰ ২০ ফেব্ৰুৱাৰীত জুনাগড়ত ভাৰত চৰকাৰে গণভোট (Plebicite) অনুষ্ঠিত কৰে, য'ত সংখ্যাগৰিষ্ঠ জনসাধাৰণে ভাৰতবৰ্যত চামিল হোৱাৰ সপক্ষে ভোটদান কৰে। ফলস্বৰূপে জুনাগড় ভাৰতবৰ্ষৰ অংশ হৈ পৰে।

১৯৪৮ চনৰ ১৩ চেপ্তেম্বৰ তাৰিখে ভাৰত চৰকাৰে হায়দৰাবাদক আৰক্ষীৰ সহায়ত শক্তিমূলক ব্যৱস্থা গ্ৰহণ কৰি আত্মসমৰ্পণ কৰিবলৈ তথা ভাৰতবৰ্ষৰ লগত চামিল হবলৈ বাধ্য কৰায়।

১৯৪৭ চনৰ ২৫ অক্টোবৰত কাশ্মীৰৰ মহাৰজা হৰি সিঙে ‘চামিলকৰণৰ দলিল’ (Instuement of Aceession) ত স্বাক্ষৰ কৰাৰ লগে লগে কাশ্মীৰ ভাৰতৰ অভিন্ন অংগ হৈ পৰে।

দেশীয় ৰাজ্যৰ সমস্যাৰ সমাধান হোৱাৰ লগে লগে সংবিধান সভাই সম্পূৰ্ণ ভাৰতবৰ্ষৰ বাবে এক পূৰ্ণাংগ সংবিধান ৰচনাৰ সুবিধা লাভ কৰে।

## ৪.৫. উদ্দেশ্যধৰ্মী প্ৰস্তাৱ (Objective Resolution)ঃ

উদ্দেশ্যধৰ্মী প্ৰস্তাৱৰ দ্বাৰা সংবিধান সভাৰ দিশ নিৰ্ণয় কৰোৱা হৈছিল। এই প্ৰস্তাৱসমূহক আধাৰ হিচাপে মানি লৈ সংবিধান সভাই কাৰ্য্য কৰিব বুলি আশা কৰা হৈছিল। ১৯৪৬ চনৰ ১৩ ডিচেম্বৰ তাৰিখে পণ্ডিত জৱাহৰ লাল নেহৰুৱে সদনত উদ্দেশ্যধৰ্মী প্ৰস্তাৱ আগবঢ়াইছিল আৰু ১৯৪৭ চনৰ ২২ জানুৱাৰী তাৰিখে এই প্ৰস্তাৱসমূহ সৰ্বসন্মতি ক্ৰমে অনুমোদিত হৈছিল। এই প্ৰস্তাৱসমূহ আছিল এনেধৰণৰ-

১) ভাৰতক স্বাধীন, সাৰ্বভৌম গণৰাজ্য হিচাপে গঢ়ি তোলাৰ লগতে ভৱিষ্যত দিক্ নিৰ্দেশনাৰ বাবে এখন সংবিধান প্ৰস্তুত কৰা হ'ব।

২) বৃটিছ ভাৰতবৰ্ষৰ অন্তৰ্গত অঞ্চলসমূহ, দেশীয় ৰাজ্যসমূহ, বৃটিছ ভাৰতবৰ্ষৰ বৰ্হিভূক্ত ভাৰতীয় অঞ্চল আৰু ৰাজ্যসমূহ একত্ৰিত কৰি স্বাধীন, সাৰ্বভৌম ভাৰত গঠন কৰা হ'ব।

৩) উপৰোক্ত অঞ্চলসমূহে, যাৰ সীমা ইতিমধ্যে নিৰ্ধাৰণ কৰা হৈছে বা সংবিধান সভাই নিৰ্ধাৰণ কৰি দিব, ইয়াৰ পিছত সংবিধান অনুসৰি সকলো ধৰণৰ ক্ষমতা লাভ আৰু প্ৰয়োগ কৰিব পাৰিব।

৪) স্বাধীন ভাৰতবৰ্ষ, ইয়াৰ অন্তৰ্গত প্ৰদেশসমূহ, সকলো প্ৰতিষ্ঠান আৰু চৰকাৰৰ ক্ষমতাৰ মূল উৎস হল জনসাধাৰণ।

৫) এই সংবিধান সভাই প্ৰত্যেকজন ভাৰতীয় নাগৰিকক সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়, মৰ্য্যদা, সুবিধা, আইনৰ চকুত সমমৰ্য্যদা, চিন্তা, মতপ্ৰকাশ বিশ্বাস, বৃত্তি আদিৰ স্বাধীনতা প্ৰদান কৰিব। তদুপৰি সকলো ব্যক্তি আইন আৰু ৰাজহুৱা নীতি নিষ্ঠতাৰ অধীন হ'ব।

৬) পিছপৰা জাতি, জনগোষ্ঠী, সংখ্যালঘু আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ লোকক উপযুক্ত সুৰক্ষা প্ৰদান কৰা হ'ব।

৭) এখন সভা দেশৰ আইন আৰু ন্যায় অনুসাৰে দেশৰ ঐক্য ৰক্ষা কৰাৰ বাবে আৰু মাটি, পানী আৰু বায়ুমণ্ডলৰ ওপৰৰ সাৰ্বভৌমত্ব সুৰক্ষিত কৰাৰ বাবে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰা হ'ব।

৮) এই পৌৰাণিক ভূ-খণ্ডই বিশ্ব-দৰবাৰত এক যথাযোগ্য স্থান লাভ কৰি বিশ্ব- শান্তি আৰু জনকল্যাণৰ হকে কাম কৰি যাব। উদ্দেশ্যধৰ্মী প্ৰস্তাৱ অনুমোদিত হোৱাৰ পিছত **১৯৫০** চনৰ ২৪ জানুৱাৰীত সংবিধান সভাৰ চূড়ান্ত বৈঠক অনুষ্ঠিত হয়। ভাৰতবৰ্ষৰ নতুন সংবিধানখন **১৯৫০** চনৰ ২৬ জানুৱাৰীৰ পৰা বলবৎ কৰা হয়। উল্লেখযোগ্য যে, উদ্দেশ্যধৰ্মী প্ৰস্তাৱসমূহ গ্ৰহণ কৰাৰ জৰিয়তে ভাৰতবৰ্ষই নিজৰ পূৰ্বৰ ঐতিহ্য আৰু পৰম্পৰাৰ ভেটিত ভবিষ্যত তৈয়াৰ কৰিব বিচাৰিছিল।

## ৪.৬ আত্মমূল্যায়নৰ প্ৰশ্নঃ

ক) ভাৰতবৰ্ষলৈ কেবিনেট মিছনৰ আগমন কেতিয়া হৈছিল?

------------------------------------------------------------

------------------------------------------------------------

খ) ভাৰতবৰ্ষৰ সংবিধান ৰচনাৰ বাবে সংবিধান সভা গঠনৰ দাবী কোনজন ব্যক্তিয়ে সৰ্বপ্ৰথমে উত্থাপন কৰিছিল?

------------------------------------------------------------

------------------------------------------------------------

গ) সংবিধান সভাখন চুড়ান্তভাৱে কেইজন সদস্যৰে গঠিত হৈছিল।

------------------------------------------------------------

------------------------------------------------------------

ঘ) কোনকেইখন দেশীয় ৰাজ্যৰ চামিলকৰণক লৈ সাংবিধানিক সমস্যাৰ সৃষ্টি হৈছিল?

------------------------------------------------------------

------------------------------------------------------------

ঙ) সংবিধান সভাত 'উদ্দেশ্যধৰ্মী' প্ৰস্তাৱ কোনে উত্থাপন কৰিছিল?

------------------------------------------------------------

------------------------------------------------------------

## ৪.৭ সামৰণি ঃ

এই গোটত আমি ভাৰতবৰ্ষৰ সংবিধানৰ প্ৰস্তুতি পৰ্ব সম্পৰ্কে আলোচনা কৰিলো। তোমালোকে এই গোচৰ অধ্যয়নৰ দ্বাৰা জানিব পাৰিলা যে ভাৰতবৰ্ষৰ সংবিধান ৰচনাৰ বাবে এখন সংবিধান সভাৰ গঠন কৰা হৈছিল। এই সংবিধান সভাখনে ৩বছৰ কাল অধ্যয়ন আৰু গৱেষণা কৰাৰ অন্তত এখন সম্পৰ্ণ আৰু গ্ৰহণযোগ্য সংবিধান ভাৰতীয় জনসাধাৰণক প্ৰদান কৰে। সংবিধান ৰচনাৰ সময়ছোৱাত সংবিধান সভাখন বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। ইয়াৰ ভিতৰত অন্যতম আছিল দেশীয় ৰাজ্যসমূহক (Princely State) সমূহৰ চামিলকৰণক লৈ হোৱা সমস্যা। উল্লেখযোগ্য যে, ভাৰতবৰ্ষৰ সংবিধানখনৰ আধাৰ হিচাপে উদ্দেশ্যধৰ্মী প্ৰস্তাৱসমূহ সংবিধান সভাত উত্থাপন কৰা হৈছিল।

## ৪.৮ ঘাই শব্দসমূহ ঃ

**সংবিধান সভা :** সংবিধান ৰচনাৰ বাবে গঠিত প্ৰতিনিধিত্বমূলক সভা।

**দেশীয় ৰাজ্য :** ভাৰতবৰ্ষৰ দেশীয় ৰজা মহাৰজাৰ দ্বাৰা শাসিত ৰাজ্য।

**উদ্দেশ্যধৰ্মী প্ৰস্তাৱ :** সংবিধান ৰচনাৰ আধাৰ হিচাপে জৱাহৰলাল নেহৰুৱে সংবিধান সভাত উত্থাপন কৰা প্ৰস্তাৱ।

## ৪.৯ প্ৰসংগ পুথি ঃ

ক) Constitutianal Development and National Movement of India
-R.C. Agalwal,
S. Chand Publications (2005).

খ) India's Constitution -
M.V. Pylee,
S. Chand Publications (2009)

গ) Indian Govt. & Politics -
L.N. Srivastava,
SBD Publishers (2004)

ঘ) 'ভাৰতীয় চৰকাৰ আৰু ৰাজনীতি'-
নবীন গোঁহাই, দ্বীপেন দাস,
বিদ্যাভৱন (২০১১).

**৪.১০. সম্ভাব্য প্ৰশ্ন ঃ**

১) ভাৰতীয় সংবিধানৰ প্ৰস্তুতি পৰ্ব সম্পৰ্কে আলোচনা কৰা।

২) ভাৰতবৰ্ষৰ সংবিধান সভাৰ গঠন সম্পৰ্কে আলোচনা কৰা। এই সভা প্ৰকৃততে প্ৰতিনিধিত্বমূলক সভা আছিলনে ?

৩) উদ্দেশ্যধৰ্মী প্ৰস্তাৱ মানে কি? এই প্ৰস্তাৱসমূহ উল্লেখ কৰা।

**৪.১১. আৰ্হি উত্তৰ ঃ**

১) ভাৰতবৰ্ষৰ ৰাজনৈতিক সাংবিধান সমস্যাসমূহ সমাধান কৰাৰ বাবে কেবিনেট মিছন ১৯৪৬ চনৰ ২৩ মাৰ্চত ভাৰতবৰ্ষলৈ আহিছিল।

২) মানবেন্দ্ৰ নাথ ৰয়ে স্বাধীন ভাৰতবৰ্ষৰ সংবিধান ৰচনাৰ বাবে সৰ্বপ্ৰথমে এক সংবিধান সভা গঠনৰ দাবী উত্থাপন কৰিছিল।

৩) উদ্দেশ্যধৰ্মী প্ৰস্তাৱসমূহক সংবিধান সভাৰ আধাৰ বা ভেটি বুলি কব পাৰি। এই প্ৰস্তাৱসমূহে সংবিধান সভাক সঠিক দিশেৰে অগ্ৰসৰ হোৱাত সহায় কৰিছিল।